স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

মে' ২০২৬ চন ☐ VOL-16 ☐ NO-65 ☐ SUNDAY 10 MAY 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBR

### দুৰ্যোগৰ স'তে মোকাবিলা কৰাই হৈছে দুৰ্যোগ প্ৰতিৰোধৰ প্ৰধান উপায় ঃ অধ্যক্ষ ড° শইকীয়া

## কানৈ কলেজত দক্ষতা বিকাশ শিবিৰ

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ৯ মে' ঃ 'দুৰ্যোগৰ স'তে মোকাবিলা কৰাই হৈছে দুৰ্যোগ প্ৰতিৰোধৰ প্ৰধান উপায়। বৰ্তমান সময়ৰ প্ৰেক্ষাপটত যদিও দুৰ্যোগ প্ৰতিৰোধৰ বিভিন্ন বিজ্ঞানসন্মত প্ৰণালী উপলব্ধ হৈ আছে, তথাপিও সমাজত ব্যক্তি আৰু সামজিক সজাগতা তথা দুৰ্যোগৰ স'তে মোকাবিলা কৰিব পৰাকৈ এতিয়াও সজাগতা আৰু প্ৰশিক্ষণৰ যথেষ্ট প্ৰয়োজন আছে।'—ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ এন এছএছ, এনচিচি গোটৰ উদ্যোগত আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন বাহিনীৰ সহযোগত কানৈ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা দুৰ্যোগ প্ৰতিৰোধৰ দক্ষতা বিকাশ শিবিৰ উদ্বোধন কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই এইদৰে কয়। অধ্যক্ষগৰাকীয়ে কয়— ছাত্ৰ সমাজৰ পৰাই যদি দুৰ্যোগৰ ক্ষেত্ৰত ল'ব লগা বিভিন্ন প্ৰশিক্ষণ আৰু সজাগতা সমূহ উপযুক্ত ৰূপত প্ৰসাৰ আৰু প্ৰচাৰ হয়, তেতিয়াহে দূৰ্যোগৰ পৰা হ'ব পৰা ধন-জনৰ ক্ষতি কিছু পৰিমাণে হ'লেও ৰোধ কৰিব যাব। তেওঁ কয়—যোৱা কিছুদিন ধৰি উত্তৰ-পূব ভাৰতৰ বিশেষকৈ অসম আৰু অৰুণাচল সীমান্তক কেন্দ্ৰ কৰি উৎপত্তি হোৱা ভূমিকম্প, ঘূৰ্ণী বতাহ আৰু জলবায়ু পৰিৱৰ্তনে দুৰ্যোগ প্ৰশমনৰ ক্ষেত্ৰত সামজিক সজাগতা আৰু প্ৰশিক্ষণকেন্দ্ৰিক প্ৰয়োজনীয়তাৰ গুৰুত্ব অত্যাধিক কৰি তুলিছে। মহাবিদ্যালয়ৰ এনএছএছৰ প্ৰকল্প, বিষয়া অধ্যাপক শিৱনাথ চুতীয়াই আঁত ধৰা অনুষ্ঠানটিত অধ্যক্ষগৰাকীয়ে কয়— চৰকাৰে বিভিন্ন সময়ত প্ৰেৰণ কৰা বৈদ্যুতনিক বাৰ্তা আৰু সজাগতাকেন্দ্ৰিক প্ৰচাৰসমূহে জনসাধাৰণক দুৰ্যোগ প্ৰশমনৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ লগতে ইয়াক দৈনন্দিন জীৱন শৈলীৰ এক অংগ হিচাপে গঢ়ি তোলাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। অনুষ্ঠানত ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন বাহিনীৰ তৰফৰ পৰা দুৰ্যোগ প্ৰশমনৰ ক্ষেত্ৰত ল'ব লগা বিভিন্ন সুৰক্ষা সম্পৰ্কীয় দিশসমূহৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন ধৰণৰ কৌশল প্ৰদৰ্শন কৰাৰ লগতে তেওঁলোকক প্ৰায়োগিক দিশতো নিয়োজিত কৰা হয়। অনুষ্ঠানটিত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতিপ্ৰসাদ ফুকন, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈৰ লগতে ৰাষ্ট্ৰীয় দূৰ্যোগ প্ৰশমন বাহিনী, ডিব্ৰুগড়ৰ পৰিদৰ্শক অজয় কুমাৰ, উপ-পৰিদৰ্শক বিশ্বজিৎ বৰুৱা উপস্থিত থাকি বিভিন্ন দুৰ্যোগ প্ৰশমন সম্পৰ্কে মননশীল বক্তব্য আগবঢ়ায়। অনুষ্ঠানৰ শেষত শলাগ জ্ঞাপন কৰে মহাবিদ্যালয়ৰ এনচিচি গোটৰ এএনঅ' ড° পৰাগজ্যোতি চুতীয়াই। আনহাতে, আজি আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ দ্বাৰা আয়োজিত 'ৱাকাথন' প্ৰতিযোগিতাত কানৈ মহাবিদ্যালয়ৰ দুই ছাত্ৰ-ছাত্ৰী ক্ৰমে—প্ৰণিকা বৰুৱা আৰু হৃদয় শৰ্মাই প্ৰথম আৰু দ্বিতীয় স্থান লাভ কৰি মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনে। এই কাৰ্যসূচীত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ লগতে পোষকগৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলক ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ তৰফৰ পৰা একোখনকৈ মান-পত্ৰ প্ৰদান কৰা হয়।

